জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৭১/২০২২

# সাদিন-প্ৰতিদিন গোষ্ঠীৰ এচিভাৰ এৱাৰ্ডছ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## সংবাদ মাধ্যমৰ দায়িত্ব হ'ল জাতীয় জীৱনলৈ আশাৰ বাণী সঞ্চাৰিত কৰা ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কলা-সংস্কৃতি, সাহিত্য, ক্ৰীড়া, বিজ্ঞান, পৰিৱেশ, উদ্যোগ, চিকিৎসা, বাণিজ্য আদি ক্ষেত্ৰসমূহলৈ বহুমূলীয়া অৱদান আগবঢ়াই অহা বিশেষ ব্যক্তি তথা অনুষ্ঠানক সন্মান প্ৰদান কৰাৰ উদ্দেশ্যেৰে সাদিন-প্ৰতিদিন গোষ্ঠীয়ে ইউ এছ টি এমৰ প্ৰেক্ষাগৃহত আয়োজন কৰা এচিভাৰ এৱাৰ্ডছ প্ৰদান অনুষ্ঠানত প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ লগতে তেখেতৰ সহধৰ্মিনী সবিতা কোবিন্দৰ সৈতে অংশগ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সংবাদ গোষ্ঠীটোৰ এই উদ্যোগ নিতান্তই আদৰণীয়। এই বঁটা প্ৰদানৰ জৰিয়তে সাদিন-প্ৰতিদিন গোষ্ঠীৰ স্বত্বাধিকাৰী জয়ন্ত বৰুৱাৰ নেতৃত্বত সংবাদ গোষ্ঠীটোৱে লোৱা পদক্ষেপ উজ্জ্বল সামাজিক দায়বদ্ধতাৰ পৰিচয় বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ উপস্থিতিয়ে আজিৰ অনুষ্ঠানৰ সৌষ্ঠৱ দুগুণে বঢ়াই তুলিছে। ভাৰতবৰ্ষৰ সমাজ জীৱনৰ এনে এগৰাকী স্বনামধন্য ব্যক্তিক ৰাজ্যত লাভ কৰি অসমবাসী ধন্য হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে কেৱল সংবাদ জগতত‌ে নহয়, জয়ন্ত বৰুৱাই সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰতো বিশেষ বৰঙণি যোগাবলৈ সক্ষম হৈছে। অসম সাহিত্য সভাৰ বিশ্বকোষৰ অষ্টম খণ্ডকে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ গ্ৰন্থ বিনামূলীয়াকৈ ছপাই জাতীয় সাহিত্য জগতলৈ তেওঁ বিশেষ বৰঙণি যোগাবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। জয়ন্ত বৰুৱাৰ পিতৃ প্ৰয়াত দেবানন্দ বৰুৱাই হেমকোষৰ পৰিবৰ্ধিত সংস্কৰণ প্ৰকাশৰ জৰিয়তে এক জাতীয় দায়িত্ব পালন কৰিছিল। শেহতীয়াকৈ তেখেতৰ পুত্ৰ জয়ন্ত বৰুৱাই হেমকোষৰ ব্ৰেইল সংস্কৰণ প্ৰকাশ কৰি তেওঁ আন এক গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিলে যি ৰাজ্যৰ ইতিহাসত চিৰকাল স্মৰণীয় হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বঁটা প্ৰাপকসকলক অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বঁটা প্ৰদানে তেওঁলোকৰ অক্লান্ত সেৱাক স্বীকৃতি প্ৰদান কৰা হৈছে। ভাৰতীয় সংবাদ পত্ৰৰ ইতিহাস বহু ঘটনাবহুল অধ্যায়ৰ সাক্ষী বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ স্বাধীনতা আন্দোলনৰ সময়ছোৱাত দেশবাসীক ৰাজনৈতিক ঘটনাৰাজিৰ সৈতে পৰিচিত কৰি সংবাদপত্ৰসমূহে তেওঁলোকৰ মাজত ৰাষ্ট্ৰভাৱনা তীব্ৰতৰ কৰি তুলিছিল। স্বাধীনতা সংগ্ৰামৰ শীৰ্ষনেতা বালগংগাধৰ তিলকৰ 'কেশৰী', মহাত্মা গান্ধীৰ 'ইয়ং ইণ্ডিয়া', 'নৱ জীৱন', 'হৰিজন'কে ধৰি সেই সময়ছোৱাত ৰাজনৈতিক নেতাসকলৰ দ্বাৰা প্ৰকাশিত বহু সংবাদ পত্ৰই ভাৰতবাসীক

ৰাষ্ট্ৰীয় আৰু গণতান্ত্ৰিক চেতনাৰে উদ্বুদ্ধ কৰি দেশ গঢ়াৰ মহান কৰ্মযজ্ঞত আত্মনিয়োগ কৰিবলৈ প্ৰেৰণা যোগাইছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে চন্দ্ৰকুমাৰ আগৰৱালা, অম্বিকাগিৰী ৰায়চৌধুৰীয়ে নিজৰ কাকতত ভাৰতৰ স্বাধীনতাৰ বাবে বিৰামহীন সংগ্ৰাম কৰিছিল বুলি কয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সংবাদ মাধ্যম হৈছে সমাজৰ দাপোন। আমাৰ সমাজ জীৱন যি ধৰণে আগবাঢ়ি গৈছে সেই ধৰণে সংবাদ মাধ্যমৰ চিন্তা-চৰ্চা সমাজৰ অগ্ৰগামী দিশৰ লগত খাপ খুৱাই আগবাঢ়ি যাব লাগিব। তেওঁ কয় যে ১৯৭৯ চনত অসমীয়াৰ জাতীয় জীৱন প্ৰতিবাদমুখৰ হোৱাৰ বিপৰীতে ২০২২ চনত অসম জাতীয় জীৱন আশাৰে সঞ্চাৰিত। সেই সময়ৰ সমাজ আৰু আজিৰ সমাজৰ মাজত পৰিৱৰ্তন হৈছে। এটা দিন  আছিল অসমীয়াই এটা শোধনাগাৰৰ বাবে আন্দোলন কৰিব লাগিছিল। এখন ব্ৰহ্মপুত্ৰ দলঙৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছিল। আজি এনেকুৱা এটা দিনত উপনীত হৈছোঁ য'ত অসমীয়াই কোনোধৰণৰ সংগ্ৰামলৈকে নোযোৱাকৈ প্ৰতিদিনে পুৱাই জাতিটোৰ বাবে এটা সুখবৰ লাভ কৰে বুলি তেওঁ কয়। তেওঁ কয় যে আমাৰ চাৰিওফালৰ নৱ প্ৰজন্মই এখন আশাৰ অসম চাব বিচাৰে। আজি সমাজৰ সকলো ব্যক্তিয়ে ঋণাত্মকতা বাদ দি ইতিবাচক চিন্তাৰে অগ্ৰসৰ হ'ব খোজে। আজিৰ অসমৰ  নৱ প্ৰজন্মই বৌদ্ধিক, ক্ৰীড়া তথা সংস্কৃতিৰ পৃথিৱীখনত প্ৰতিযোগিতাৰে ভাৰতৰ ভিতৰত শ্ৰেষ্ঠত্ব বিচাৰিব খোজে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজিৰ সংবাদ মাধ্যমৰ দায়িত্ব হ'ল জাতীয় জীৱনলৈ আশাৰ বাণী সঞ্চাৰিত কৰা, অমৃত বাণীৰে আমাৰ অসমীয়া সমাজখনত বৌদ্ধিক চিন্তাৰ এক নৱ জাগৰণ সৃষ্টি কৰা, য'ত অসমীয়াই শদিয়াৰ পৰা ধুবুৰীতে আবদ্ধ নাথাকি ভাৰতবৰ্ষৰ ভিতৰতে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব পাৰে। আমাৰ সমাজখনৰ প্ৰতি আমাৰ লক্ষ্য হ'ব লাগিব কেনেকে হাজাৰ জনৰ মাজত আমি আশাৰ বন্তি হৈ থিয় দিব পাৰো। তেওঁ কয় যে এখন ঘন ঘোৰ অন্ধকাৰে আবৰা পথাৰৰ মাজত এডাল মমবাতি বা এটা চাকিৰ পোহৰে মানুহৰ মাজত অদম্য সাহসৰ সৃষ্টি কৰে। তেনেকে প্ৰতিটো কথা, প্ৰতিটো আশা,  প্ৰতিটো ইতিবাচক বাতৰিয়ে আমাৰ জাতিটোক আগবাঢ়ি যাবলৈ এই আশাৰ বাণী, সেই অমৃত বাণী সঞ্চাৰিত কৰিব। ভাষণত মুখ্যমন্ত্ৰীয়ে ১৯৭৯, ১৯৮৫ ৰ দায়িত্বৰ পৰিৱৰ্তে ২০২২-২০২৩ চনৰ আশাৰ, নৱ জীৱনৰ, নৱ জাগৰণৰ বাণীক প্ৰতিনিধিত্ব কৰিবলৈ সংবাদ মাধ্যমক আহ্বান জনায়।

অনুষ্ঠানত এচিভাৰ এৱাৰ্ডৰ অধীনত  বিশিষ্ট নাট্যকাৰ, অভিনেতা তথা নাট্য সংগঠক  দুলাল ৰয়ক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰাৰ লগতে পৰিৱেশ সংৰক্ষণ শিতানত বিশিষ্ট পৰিৱেশবিদ পূৰ্ণিমা দেৱী, সমাজ সেৱা শিতানত কোকৰাঝাৰৰ ড° দিগম্বৰ নাৰ্জাৰী, স্বাস্থ্য সেৱা শিতানত বিশিষ্ট চিকিৎসক ডাঃ অজয়া মহন্ত, ক্ৰীড়া শিতানত মিজোৰামৰ ভাৰোত্তোলক জেৰিমি লাল ৰিনুংগা আৰু অসমৰ পেৰা অলিম্পিয়ান অভিনন্দন গোস্বামী, কৰ্প'ৰেট শিতানত সঞ্জীৱ ভূঞা, বাণিজ্যিক শিতানত বিশিষ্ট চাহ খেতিয়ক প্ৰভাত বেজবৰুৱা, জনসেৱা শিতানত অৰুণাচলৰ প্ৰথমগৰাকী আই পি এছ বিষয়া তথা দিল্লী আৰক্ষীৰ বৰ্তমানৰ বিশেষ আয়ুক্ত ৰবিন হিব্ৰু, বিজ্ঞান আৰু উদ্ভাৱনী শিতানত বিশিষ্ট বিজ্ঞানী ড° ভূপেন্দ্ৰ নাথ গোস্বামী, কলা শিতানত সত্ৰীয়া সংস্কৃতিৰ সাধক হেমচন্দ্ৰ গোস্বামী, সাংস্কৃতিক শিতানত মণিপুৰৰ বিশিষ্ট নাট্যকাৰ অৰিবাম শ্যাম শৰ্মা, সংগীত শিতানত বিশিষ্ট সংগীত পৰিচালক, সুৰকাৰ, গায়ক ৰমেন বৰুৱাক এই বঁটা আগবঢ়োৱা হয়। তদুপৰি বিশিষ্ট শিক্ষাবিদ, গীতিকাৰ, সাহিত্যিক ড° লক্ষহীৰা দাসক 'সাদিন

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

সাহিত্য আৰু সাংবাদিকতা’ বঁটা প্ৰদান কৰা হয়। একেটা অনুষ্ঠানতে সাদিন-প্ৰতিদিন গোষ্ঠীৰ কেইবাগৰাকী সাংবাদিকক তেওঁলোকৰ কাৰ্যক্ষেত্ৰত প্ৰদৰ্শন কৰা উৎকৃষ্ট সেৱাৰ বাবে বঁটা প্ৰদান কৰা হয়।

সাদিন-প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ জয়ন্ত বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, শক্তি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা, পৰিবহন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়কসকল ক্ৰমে পদ্ম হাজৰিকা, মানব ডেকা, অসম পণ্যগাৰ নিগমৰ উপাধ্যক্ষ তপন দাস, সাদিন-প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ জয়ন্ত বৰুৱাৰ সহধৰ্মিনী ৰুবী বৰুৱা, সাদিন-সাতসৰীৰ সম্পাদিকা অনুৰাধা শৰ্মাপূজাৰী, নন্দিনীৰ সম্পাদিকা মাইনী মহন্ত, প্ৰতিদিন টাইমৰ সম্পাদক নিতুমণি শইকীয়া, ইউ এছ টি এমৰ আচাৰ্য মহবুবুল হক প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**হেংশঃ**
**১৯/১২/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in